**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 02-02-2023
**Time :** 1-40 Hrs

*Assamese Evening Bulletin*

**HEADLINES**

১। আগশাৰীৰ ঔদ্যোগিক নিকায় আৰু বিনিয়োগকাৰীসকলে এইবাৰৰ সাধাৰণ বাজেটক প্ৰগতিশীল, পৰিণামদৰ্শী আৰু বিকাশমুখী বুলি অভিহিত কৰিছে।

২। লোকসভা আৰু ৰাজ্যসভাত আজি সংসদৰ উভয় সদনৰ যুটীয়া বৈঠকত দিয়া ৰাষ্ট্ৰপতিৰ ভাষণৰ প্ৰতি ধন্যবাদ সূচক প্ৰস্তাৱ সন্দৰ্ভত আলোচনা আৰম্ভ হ'ব।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে বিশ্বশান্তিৰ বাবে বৰপেটাৰ নসত্ৰ গাঁৱত আয়োজিত কৃষ্ণগুৰু একনাম অখণ্ড কীৰ্তনত অংশগ্ৰহণ কৰিব।

৪। কেন্দ্ৰীয় বন্দৰ, জাহাজ চলাচল, জলপথ আৰু আয়ুষ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে জি-টুৱেণ্টি সদস্য ৰাষ্ট্ৰৰ প্ৰতিনিধি বৰ্গক বহনক্ষম জীৱন শৈলীক গণ আন্দোলনৰ ৰূপ দিয়াৰ বাবে যৌথভাৱে কাম কৰিবলৈ আহ্বান জনাইছে।

**আৰু**

৫। ভাৰতীয় মহিলা ক্ৰিকেট দল আজি পূব লণ্ডনত হ'বলগীয়া ত্ৰিদেশীয় টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ ফাইনেলত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

আগশাৰীৰ ঔদ্যোগিক নিকায় আৰু বিনিয়োগকাৰীসকলে ২০২৩-২৪ বৰ্ষৰ সাধাৰণ বাজেটক প্ৰগতিশীল, পৰিণামদৰ্শী আৰু বিকাশমুখী বুলি আখ্যা দি ইয়াক আদৰণি জনাইছে। ফিক্কী- এফ আই চি চি আইৰ অধ্যক্ষ সুভ্ৰকান্ত পাণ্ডাই কৈছে যে ভাৰত হৈছে বিশ্বৰ পঞ্চম বৃহৎ অৰ্থনৈতিক দেশ। এই বাজেটখন কেৱল দেশৰ বাবেই গুৰুত্বপূৰ্ণ নহয়, বৰঞ্চ ই ভাৰতক বিশ্বৰ বিকাশৰ ইঞ্জিনৰ দিশ হিচাপে আগবঢ়াই নিয়াৰ পদক্ষেপ স্বৰূপ। চি আই আইৰ অধ্যক্ষ সঞ্জীৱ বাজাজে বাজেটখনক বিকাশমুখী বুলি অভিহিত কৰিছে। তেওঁ কয় যে, ইয়াৰদ্বাৰা সাৰ্বজনীন পুজিগত ব্যয়ত ৩৩ শতাংশ বৃদ্ধিৰ দ্বাৰা কৰ্মসংস্থাপন সৃষ্টি হোৱাৰ সহায়ক হ'ব। Assocham ৰ অধ্যক্ষ সুমন্ত সিনহাই কয় যে এই বাজেটে সুগমভাৱে বেপাৰ-বাণিজ্য কৰাত সহায় কৰাৰ লগতে Assocham ৰ ক্ষেত্ৰখনক সহায় কৰিব। আনহাতে, কংগ্ৰেছে কৰ কৰ্তন সন্দৰ্ভত কৰা ঘোষণাক প্ৰশংসা কৰিছে। সংসদৰ বাহিৰত মিডিয়াৰ সৈতে হোৱা কথা-বতৰাত দলৰ সাংসদ কাৰ্তি চিদাম্বৰমে কয় যে কৰ কৰ্তনৰ যিকোনো পদক্ষেপ আদৰণীৰ যোগ্য। দলৰ সাংসদ শশী থাৰুৰেও কেন্দ্ৰীয় বাজেটৰ কিছুমান বিষয় ভাল বুলি মন্তব্য কৰিছে। তেওঁ অৱশ্যে কৈছে যে বাজেটত এম জি এনৰেগা, কৰ্মসংস্থাপন হীনতা আৰু মুদ্ৰাস্ফীতি সন্দৰ্ভত একো উল্লেখ কৰা হোৱা নাই। কালি সংসদত উত্থাপন কৰা বাজেট সন্দৰ্ভত বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে কয় যে সকলো চৰকাৰী সংস্থাত ডিজিটেল প্ৰণালী প্ৰয়োগৰ বাবে পেন কাৰ্ড ব্যৱহাৰৰ প্ৰস্তাৱ লোৱা

হৈছে। ইয়াৰদ্বাৰা কে ওৱাই চি প্ৰক্ৰিয়া সৰল হোৱাৰ লগতে আয়কৰ বিভাগৰ লগতে অন্য চৰকাৰী সংস্থাৰ বাবে পেন কাৰ্ড ধাৰকসকলৰ নথি পৰিচালনা কৰাত সহজলভ্য হ'ব। চৰকাৰে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ ব্যয় ৬৬ শতাংশ বৃদ্ধি কৰি ৭৯ হাজাৰ কোটি টকালৈ বৃদ্ধি কৰিছে। ইফালে, নতুনকৈ নিৰ্মাণ কৰা আন্তঃগাঁথনি বিত্ত সচিবালয়ে ৰাজহুৱা বিনিয়োগৰ ওপৰত নিৰ্ভৰশীল ৰে'লৰে, বাট-পথ, চহৰৰ আন্তঃগাঁথনি আৰু শক্তিৰ উন্নয়নত অৰিহণা যোগাব।

০০০০০

লোকসভা আৰু ৰাজ্যসভাত আজি সংসদৰ উভয় সদনৰ যুটীয়া বৈঠকত দিয়া ৰাষ্ট্ৰপতিৰ ভাষণৰ প্ৰতি ধন্যবাদ সূচক প্ৰস্তাৱ সন্দৰ্ভত আলোচনা আৰম্ভ হ'ব। লোকসভাত সাংসদ চন্দ্ৰপ্ৰকাশ যোশীয়ে ধন্যবাদসূচক প্ৰস্তাৱ উত্থাপন কৰিব আৰু উদয় প্ৰতাপ সিঙে প্ৰস্তাৱটোৰ প্ৰতি সমৰ্থন আগবঢ়াব। একেদৰে, ৰাজ্যসভাত কে লক্ষ্মণে এই প্ৰস্তাৱ উত্থাপন কৰিব আৰু প্ৰকাশ জাৱড়েকাৰে প্ৰস্তাৱটোৰ প্ৰতি সমৰ্থন আগবঢ়াব।

০০০০০

আদানী গোট সন্দৰ্ভত হিন্দেনবাৰ্গ ৰিচাৰ্ছ নামৰ বিনিয়োগ গৱেষণা প্ৰতিষ্ঠানৰ প্ৰতিবেদন আৰু ভাৰতীয় ষ্টক বজাৰত ইয়াৰ প্ৰভাৱসহ অন্যান্য বিষয় লৈ বিৰোধী বিৰোধী পক্ষই সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ বাবে আজি সংসদৰ উভয় সদনৰ কাম-কাজ দিনৰ ২ বজালৈ স্থগিত ৰাখিবলগীয়া হয়।

পুৱাৰ ভাগত লোকসভাত মিলিত হোৱাৰ সময়ত কংগ্ৰেছ, ডি এম কে, টি এম চিকে ধৰি বিৰোধী পক্ষৰ সদস্যসকলে সদনৰ মজিয়ালৈ উঠি যায় আৰু বিষয়টোৰ তদন্তৰ দাবী জনায়। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই সদস্যসকলক নিজৰ আসনলৈ উভতি যাবলৈ আৰু সদনৰ মৰ্যাদা বৰ্তাই ৰাখিবলৈ বাৰে বাৰে আহ্বান জনায় যদিও প্ৰতিবাদৰত সদস্যসকলে অধ্যক্ষৰ আহ্বানৰ প্ৰতি কাণসাৰ নিদিয়াত সদনৰ কাৰ্যক্ৰমনিকা দিনৰ ২ বজালৈ স্থগিত ৰাখিবলগীয়া হয়।

ৰাজ্যসভাতো একেধৰণৰ পৰিস্থিতিৰ উদ্ভৱ হয়। বিৰোধী পক্ষৰ কেইবাগৰাকীও সাংসদে ভাৰতীয় জীৱন বীমা নিগম- এল আই চি, ৰাজহুৱা খণ্ডৰ একাধিক বেংক আৰু বিত্তীয় প্ৰতিষ্ঠানে বজাৰ মূল্যৰ হেৰুওৱা বিভিন্ন কোম্পানীত বিনিয়োগৰ বিষয়টো লৈ আলোচনা কৰাৰ বাবে সভাস্থগন প্ৰস্তাৱৰ জাননী দিছিল যদিও সভাপতি জগদীপ ধনখড়ে যথোচিত প্ৰক্ৰিয়াৰে উত্থাপন নকৰাৰ বাবে এই জাননী খাৰিচ কৰে। ইয়াৰ প্ৰতিবাদত কংগ্ৰেছ, ডি এম কে, টি এম চি, আম আদমী পাৰ্টি, সমাজবাদী পাৰ্টী, বাওঁ দল আৰু বিৰোধী পক্ষৰ অন্য দলৰ সদস্যসকলে সদনত হুলস্থূলীয়া পৰিস্থিতিৰ সৃষ্টি কৰে। সভাপতিয়ে সদস্যসকলক শৃংখলা বৰ্তাই ৰখাৰ বাবে আহ্বান জনায় যদিও পৰিস্থিতি উন্নত নোহোৱাত সদনৰ কাম-কাজ দিনৰ ২ বজালৈ স্থগিত ৰখা হয়।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে বিশ্বশান্তিৰ বাবে বৰপেটাৰ নসত্ৰ গাঁৱত আয়োজিত কৃষ্ণগুৰু একনাম অখণ্ড কীৰ্তনত অংশগ্ৰহণ কৰিব। প্ৰধানমন্ত্ৰীয়ে লগতে কৃষ্ণগুৰু সেৱাশ্ৰমৰ ভক্তসকলক উদ্দেশ্যি ভাষণ প্ৰদান কৰিব।

১৯৭৪ চনত বৰপেটাৰ নসত্ৰ গাঁৱত পৰমগুৰু কৃষ্ণগুৰু ঈশ্বৰে কৃষ্ণগুৰু সেৱাশ্ৰম প্ৰতিষ্ঠা কৰিছিল। তেওঁ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অনুগামী মহাবৈষ্ণৱ মনোহৰদেৱৰ নৱম বংশধৰ আছিল। বিশ্বশান্তিৰ হকে কৃষ্ণগুৰু সেৱাশ্ৰমত যোৱা ৬ জানুৱাৰীৰ পৰা মাহযোৰা কৃষ্ণগুৰু একনাম অখণ্ড কীৰ্তনৰ আয়োজন কৰা হৈছে।

ooooo

কেন্দ্ৰীয় বন্দৰ, জাহাজ চলাচল, জলপথ আৰু আয়ুষ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে জি-টুৱেণ্টি সদস্য ৰাষ্ট্ৰৰ প্ৰতিনিধি বৰ্গক বহনক্ষম জীৱন শৈলীক গণ আন্দোলনৰ ৰূপ দিয়াৰ বাবে যৌথভাৱে কাম কৰিবলৈ আহ্বান জনাইছে। ভাৰতৰ জি-টুৱেণ্টিৰ অধ্যক্ষতাৰ অংশ হিচাপে আজি গুৱাহাটীত আয়োজিত বহনক্ষম বিত্ত কাৰ্যগোটৰ প্ৰথমখন সন্মিলনৰ উদ্বোধনী অনুষ্ঠানত ভাষণ দি মন্ত্ৰীগৰাকীয়ে এইদৰে আহ্বান জনায়। তেওঁ কয় যে বিশ্বই পৰিস্কাৰ আৰু সেউজ সমাজৰ হকে কাম কৰা উচিত। তেওঁ লগতে কাৰ্বন নিৰ্গমনৰ পৰিমাণ কম কৰাৰ বাবে সকলোৰে প্ৰতি  আহ্বান জনায়। ভাৰতে ৰাষ্ট্ৰীয় বিকাশৰ হকে বহনক্ষম উন্নয়নৰ প্ৰক্ৰিয়া আকোৱালি লৈছে বুলি শ্ৰী সোণোৱালে প্ৰকাশ কৰে।

সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত মন্ত্ৰীগৰাকীয়ে কয় যে বিশ্বক দেশৰ চহকী ঐতিহ্যৰ সৈতে পৰিচয় কৰি দিয়াৰ বাবে জি-টুৱেণ্টি ৰাষ্ট্ৰগোষ্ঠীৰ অধ্যক্ষতা আমাৰ বাবে গৌৰৱৰ বিষয়। তেওঁ কয় যে জলবায়ু পৰিৱৰ্তনে মানৱ জাতিৰ বাবে জটিল পৰিস্থিতিৰ সৃষ্টি কৰিছে আৰু এই আলাপ আলোচনাৰ জৰিয়তে নিশ্চিতভাৱে জলবায়ু পৰিৱৰ্তন সমস্যা সমাধানৰ পথৰ অন্বেষণ কৰিব পৰা যাব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে এই দুদিনীয়া বৈঠকত জলবায়ু পৰিৱৰ্তনৰ সমস্যাৰ সন্মুখীন হোৱা ক্ষেত্ৰত দেখা দিয়া বিত্তীয় জটিলতা চিনাক্ত কৰা আৰু বিশ্বৰ জনসাধাৰণৰ কল্যাণৰ বাবে সমবিকাশ সুনিশ্চিত কৰাৰ বাবে প্ৰয়াস চলোৱা হ'ব। বৈঠকত এই মহান কাৰ্যৰ বাবে ধন সংগ্ৰহৰ স্থায়ী উৎসৰ বিশদ পৰিকল্পনা যুগুতাই উলিওৱা হ'ব বুলিও শ্ৰী সোণোৱালে প্ৰকাশ কৰে। জি-টুৱেণ্টি ৰাষ্ট্ৰগোষ্ঠীৰ সদস্য দেশ, অতিথি ৰাষ্ট্ৰ আৰু বিভিন্ন আন্তঃৰাষ্ট্ৰীয় সংস্থাৰ শতাধিক প্ৰতিনিধিয়ে বৈঠকত অংশগ্ৰহণ কৰিছে। দুদিনীয়া কাৰ্যসূচীৰে আয়োজিত এই বৈঠকৰ চাৰিটা সত্ৰত জলবায়ু পৰিৱৰ্তনৰ সমস্যাৰ সন্মুখীন হোৱাৰ বাবে সময়মতে পৰ্যাপ্ত উৎস, বহনক্ষম উন্নয়নৰ বাবে পুঁজি সংগ্ৰহ আৰু বহনক্ষম উন্নয়নৰ সমগ্ৰ তন্ত্ৰৰ বাবে সামৰ্থ্য বৃদ্ধি আদি বিষয় লৈ আলোচনা কৰা হ'ব।

এই দুদিনীয়া বৈঠকৰ সময়ত যোগ-সত্ৰসহ অসমৰ চহকী ঐতিহ্য আৰু পৰম্পৰাৰ সৈতে পৰিচয় কৰাই দিয়াৰ উদ্দেশ্যে প্ৰতিনিধি বৰ্গক সাংস্কৃতিক অনুষ্ঠানলৈ আমন্ত্ৰণ জনোৱা হৈছে।

ooooo

বিজেপিয়ে নেশ্যনেল ডেমক্ৰেটিক প্ৰগ্ৰেচিভ পাৰ্টীক এন ডি পি পিৰে মিত্ৰতাৰে নাগালেণ্ডৰ আসন্ন বিধানসভা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ সিদ্ধান্ত লৈছে। বিজেপিয়ে ৰাজ্যখনৰ ২০টা সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰাৰ বিপৰীতে এন ডি পি পিয়ে ৪০টা সমষ্টিত প্ৰাৰ্থী থিয় কৰাব। নতুন দিল্লীত থকা দলৰ মুখ্য কাৰ্যালয়ত এখন সংবাদমেল সম্বোধন কৰি বিজেপিৰ ৰাজ্যিক সভাপতি টেমজেন ইম্না আলঙে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত অনুষ্ঠিত কেন্দ্ৰীয় কমিটীৰ বৈঠকত  নাগালেণ্ডৰ বিধানসভা নিৰ্বাচনত বিজেপি আৰু এন ডি পি পিয়ে ২০-৪০ অনুপাতত আসন ভাগ-বাটোৱাৰৰ সূত্ৰৰে নিৰ্বাচনত প্ৰতিদ্বদ্বিতা কৰাৰ সিদ্ধান্ত লোৱা হৈছে। দলে লগতে ৰাজ্যখনৰ আসন্ন নিৰ্বাচনৰ বাবে প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰিছে।

বিজেপিয়ে লগতে মেঘালয় বিধানসভাৰ আসন্ন নিৰ্বাচনৰ বাবে  প্ৰাৰ্থীৰ এখন তালিকা প্ৰকাশ কৰিছে। দলে ৰাজ্যখনৰ ৬০টা সমষ্টিৰ আটাইকেইটাতে প্ৰতিদ্বন্দ্বিতা কৰাৰ সিদ্ধান্ত লৈছে। সংবাদমেলত দলৰ মুখপাত্ৰ ঋতুৰাজ সিনহাই কয় যে জনসাধাৰণৰ আৱেগৰ কথা বিবেচনা কৰি প্ৰথমবাৰৰ বাবে বিজেপিৰ নেতৃত্বই

মেঘালয়ত ৬০ খন আসনৰ আটাইকেইখনতে প্ৰতিদ্বন্দ্বিতা কৰাৰ সিদ্ধান্ত লৈছে। মেঘালয়ৰ জনসাধাৰণে দুৰ্নীতি আৰু উন্নয়নৰ মন্থৰ গতিক লৈ অসন্তুষ্ট হৈ পৰিছে বুলি তেওঁ উল্লেখ কৰে।

০০০০০

ভাৰতীয় মহিলা ক্ৰিকেট দল আজি পূৱ লণ্ডনত হ'বলগীয়া ত্ৰিদেশীয় টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ ফাইনেলত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি সন্ধিয়া চাৰে ৬ বজাত আৰম্ভ হ'ব। ভাৰতীয় দলে এতিয়ালৈকে খেলা চাৰিখন খেলৰ তিনিখনত জয় লাভ কৰাৰ বিপৰীতে আৰু এখন খেল অমীমাংসিতভাৱে সমাপ্ত হৈছে।

০০০০০

সমাপ্ত